
স্বাস্থ্য

পৰৱর্তী ৫—১০ বছৰত বিশ্বজুৰি উপলব্ধ হ’ব পাৰে কর্কট ৰোগৰ প্রতিষেধক! সম্ভাৱনা ব্যক্ত কৰিলে বিশিষ্ট বিজ্ঞানী ডাঃ ৰুবুল মাউটে

আগন্তুক ৫ৰ পৰা ১০ বছৰৰ ভিতৰত কর্কট ৰোগৰ প্রতিষেধক বিশ্বজুৰি উপলব্ধ হোৱাৰ সম্ভাৱনা আছে বুলি মত প্রকাশ কৰিছে বিজ্ঞানী ডাঃ ৰুবুল মাউটে।

প্রকাশ: ১২ নৱেম্বৰ ২০২৬, নিশা ৭:৪৫



Dr Rubul Maut (NewzNow)

গুৱাহাটী, ১২ নৱেম্বৰ: আগন্তুক ৫ৰ পৰা ১০ বছৰৰ ভিতৰত কর্কট ৰোগৰ প্রতিষেধক বিশ্বজুৰি উপলব্ধ হোৱাৰ সম্ভাৱনা আছে বুলি মত প্রকাশ কৰিছে বিশিষ্ট বিজ্ঞানী ডাঃ ৰুবুল মাউটে।

বিজ্ঞানীগৰাকীৰ মতে, প্রটিন ডিজাইন, কৃত্রিম বুদ্ধিমত্তাৰ ব্যৱহাৰ আৰু জৈৱ-প্রযুক্তিৰ অগ্রগতিয়ে কর্কট ৰোগৰ চিকিৎসাৰ ক্ষেত্রত নতুন দিশ মুকলি কৰিছে। বিশেষকৈ ব্যক্তিভিত্তিকভাৱে প্রস্তুত কৰা টিকাৰ জৰিয়তে ৰোগীৰ শৰীৰৰ নির্দিষ্ট কর্কট কোষ চিনাক্ত কৰি লক্ষ্যভিত্তিক চিকিৎসা আগবঢ়োৱাৰ সম্ভাৱনা বৃদ্ধি পাইছে।

প্রচলিত চিকিৎসা পদ্ধতিৰ তুলনাত এই নতুন গৱেষণাৰ বিশেষত্ব হৈছে ৰোগীৰ শৰীৰৰ জিনীয় বৈশিষ্ট্য আৰু কর্কট কোষৰ গঠন বিশ্লেষণ কৰি চিকিৎসা পদ্ধতি প্রস্তুত কৰা। ইয়াৰ ফলত সুস্থ কলাৰ ওপৰত চিকিৎসাৰ পার্শ্বক্রিয়া তুলনামূলকভাৱে হ্রাস কৰাৰ সম্ভাৱনাও আছে বুলি তেওঁ উল্লেখ কৰে।

ডাঃ মাউটৰ মতে, কৰ্কট ৰোগৰ প্ৰতিষেধক উদ্ভাৱনৰ লগতে চিকিৎসাৰ আন আন ক্ষেত্ৰতো গৱেষণাই নতুন সম্ভাৱনা কঢ়িয়াই আনিছে। বিশেষকৈ প্ৰটিন ডিজাইন আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত ঔষধ উদ্ভাৱনৰ গতি বৃদ্ধি কৰাৰ লগতে গৱেষণাৰ ব্যয় হ্ৰাস কৰাৰ দিশতো কাম চলি আছে।

বৰ্তমান কৰ্কট ৰোগৰ চিকিৎসাত নিভোলুমেব আৰু পেম্ব্রোলিজুমেবৰ দৰে ইমিউনোথেৰাপী ঔষধ ব্যৱহাৰ কৰা হয়। এই ঔষধসমূহে শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতাক কৰ্কট কোষৰ বিৰুদ্ধে সক্ৰিয় কৰাত সহায় কৰে। নতুন গৱেষণাই এনে চিকিৎসা পদ্ধতিক অধিক উন্নত কৰাৰ সম্ভাৱনা সৃষ্টি কৰিছে।

বিজ্ঞানীগৰাকীয়ে জনোৱা অনুসৰি, আগন্তুক ৫ৰ পৰা ১০ বছৰত এই উন্নত চিকিৎসা পদ্ধতিসমূহ অধিক বিস্তৃতভাৱে উপলব্ধ হোৱাৰ সম্ভাৱনা আছে। অৱশ্যে, ইয়াৰ বাবে অধিক গৱেষণা, পৰীক্ষা-নিৰীক্ষা আৰু চিকিৎসা বিজ্ঞানৰ অগ্ৰগতিৰ প্ৰয়োজন হ'ব।

উল্লেখযোগ্য যে, ডাঃ ৰুবুল মাউট বিশ্বৰ এগৰাকী পৰিচিত বিজ্ঞানী। অসমৰ পৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিজ্ঞান গৱেষণাৰ ক্ষেত্ৰত পৰিচিতি লাভ কৰা বিজ্ঞানীগৰাকী প্ৰটিন ডিজাইন আৰু জৈৱ-প্ৰযুক্তিৰ গৱেষণাৰ সৈতে জড়িত হৈ আহিছে। বৰ্তমান সকলো প্ৰকাৰৰ কৰ্কট ৰোগৰ বাবে ব্যৱহাৰ কৰিব পৰা কোনো সাৰ্বজনীন প্ৰতিষেধক উপলব্ধ হোৱা নাই।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2498/cancer-vaccine-rubul-maut-research